**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিমান পৰিবহণ খণ্ডত দিল্লী ঘোষণা পত্ৰ গ্ৰহণৰ কথা ঘোষণা কৰিছে।

২। ভাৰত আৰু চীনে নিয়ন্ত্ৰণ ৰেখাৰ বাকী এলেকাসমূহৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি অহাৰ প্ৰয়াসৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ক্ষিপ্ৰতাৰে কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় তীখা মন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে সদ্য অনুমোদিত প্ৰধানমন্ত্ৰী ই-বাছ সেৱা পেমেণ্ট ছিকিউৰিটি মেকানিজিম আঁচনিখনে অহা ৫ বছৰত ৩৮ হাজাৰতকৈ অধিক ইলেকট্ৰিক বাছ নিয়োগ কৰাত সহায় কৰিব বুলি প্ৰকাশ কৰিছে।

৪। উচ্চতম ন্যায়ালয়ে আজি অবৈধ সুৰা নীতিৰ দুৰ্নীতি সন্দৰ্ভত চিবিআয়ে ৰুজু কৰা এটা গোচৰত অভিযুক্ত দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ জামিন মঞ্জুৰ কৰিছে।

আৰু

৫। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকক অভিনন্দন জ্ঞাপন কৰে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিমান পৰিবহণ খণ্ডত দিল্লী ঘোষণা পত্ৰ গ্ৰহণৰ কথা ঘোষণা কৰিছে। নতুন দিল্লীত কালি অনুষ্ঠিত দ্বিতীয় অসামৰিক বিমান পৰিবহন বিষয়ক এছিয়া প্ৰশান্ত মন্ত্ৰী পৰ্যায়ৰ সন্মিলনত সৰ্বসন্মতিক্ৰমে এই ঘোষণাপত্ৰ গ্ৰহণ কৰা হয়। এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলসমূহৰ অসামৰিক বিমান পৰিবহণ ক্ষেত্ৰসমূহত আঞ্চলিক সহযোগিতাৰ লগতে ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰা আৰু এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলত বিমান পৰিবহণ খণ্ডৰ স্থায়ী বিকাশৰ উদ্দেশ্যে এই ঘোষণাপত্ৰৰ ৰূপৰেখা প্ৰস্তুত কৰা হৈছে। সন্মিলনত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে চলিত দশকৰ শেষৰ পিনে ভাৰত বিশ্বৰ আগশাৰীৰ বিমান পৰিবহণ কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰাৰ দিশে আগবাঢ়িছে আৰু অনাগত সময়ত বিশ্বৰ সবাতোকৈ অধিক সম্পৰ্ক ৰক্ষাকাৰী দেশ হিচাপে বিবেচিত হ'ব। শ্ৰী মোদীয়ে কয় যে গোলকীয় অসামৰিক বিমান পৰিবহণ পৰিৱেশ তন্ত্ৰত ভাৰতে বৰ্তমান এটা শক্তিশালী স্তম্ভ ৰূপে বিকাশ লাভ কৰিছে আৰু এই খণ্ডত দেশত দেশৰ বিকাশ অপ্ৰতিদ্বন্দ্বী হৈ উঠিছে। বিগত ১০ বছৰত দেশত বিমান বন্দৰৰ সংখ্যা দুগুণ বৃদ্ধি হৈছে বুলিও তেওঁ লগতে মন্তব্য কৰে। তেওঁ কয় যে অতি ক্ষুদ্ৰ চহৰসমূহতো বৰ্তমান মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীৰ ভাৰতীয়সকলে বিমানেৰে যাত্ৰা কৰা হৈছে যি সংখ্যা পূৰ্বে যথেষ্ট সীমিত আছিল।

000000000

ভাৰত আৰু চীনে নিয়ন্ত্ৰণ ৰেখাৰ বাকী এলেকাসমূহৰ পৰা সম্পূৰ্ণৰূপে আঁতৰি অহাৰ প্ৰয়াসৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ক্ষিপ্ৰতাৰে কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভাল আৰু চীনৰ কমিউনিষ্ট পাৰ্টীৰ পোলিত ব্যুৰোৰ সদস্য তথা কেন্দ্ৰীয় বিদেশ পৰিক্ৰমা আয়োগৰ সঞ্চালক ৱাং য়িৰ মাজত কালি ৰাছিয়াৰ ছেণ্ট পিটাৰ্ছবাৰ্গত হোৱা বৈঠকত এই বিষয়ত সহমত গঢ়ি উঠে। ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ সুৰক্ষা বিষয়ৰ বাবে দায়িত্বত থকা উচ্চ পৰ্যায়ৰ বিষয়া আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টাসকলৰ বৈঠকত ভাগ লোৱাৰ সুযোগতে এই আলোচনা অনুষ্ঠিত হয়। বৈঠকত অজিত দোভালে কয় যে দ্বিপাক্ষিক সম্পৰ্ক স্বাভাৱিক কৰি তোলাৰ বাবে সকলো এলেকাত শান্তি আৰু বাস্তৱিক নিয়ন্ত্ৰণ ৰেখাৰ প্ৰতি সন্মান অতি

জৰুৰী। দুয়ো পক্ষই উভয় দেশৰ মাজত সম্পাদিত দ্বিপাক্ষিক চুক্তি আৰু নীতি-নিয়মসমূহ সম্পূৰ্ণৰূপে মানি চলা উচিত বুলিও তেওঁ মন্তব্য কৰে। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতি যোগে কৈছে যে দুয়ো পক্ষই ভাৰত আৰু চীনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক কেৱল উভয় দেশৰ বাবেই নহয়, বৰং সমগ্ৰ অঞ্চল আৰু বিশ্বৰ বাবে গুৰুত্বপূৰ্ণ বুলি মতপোষণ কৰিছে। দুয়োপক্ষই লগতে অন্যান্য গোলকীয় আৰু আঞ্চলিক পৰিস্থিতি সন্দৰ্ভতো মত বিনিময় কৰে।

ooooo

কেন্দ্ৰীয় তীখা মন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে সদ্য অনুমোদিত প্ৰধানমন্ত্ৰী ই-বাছ্‌ সেৱা পেমেণ্ট ছিকিউৰিটি মেকানিজিম আঁচনিখনে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ পৰা ২০২৮-২৯ বিত্তীয় বৰ্ষলৈকে ৩৮ হাজাৰতকৈ অধিক ইলেক্‌ট্ৰিক বাছ নিয়োগ কৰাত সহায় কৰিব বুলি প্ৰকাশ কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে ৰাজহুৱা পৰিবহণ ই-বাছ ক্ৰয় আৰু পৰিচালনাৰ বাবে ৩ হাজাৰ ৪৩৫ দশমিক ৩ - ৩ কোটি টকা ব্যয়সাপেক্ষ আঁচনিখনত অনুমোদন জনাইছে। আঁচনিখনে নিয়োগৰ পৰা ১২ বছৰলৈকে ই-বাছৰ পৰিচালনাত সহায় কৰিব। উল্লেখযোগ্য যে বৰ্তমান চলাচল কৰি থকা বাছসমূহৰ অধিকাংশই ডিজেল আৰু চি এন জিৰ দ্বাৰা চলাৰ ফলত পৰিৱেশত বিৰূপ প্ৰভাৱ পেলোৱাৰ বিপৰীতে ই-বাছসমূহ অন্য বাছসমূহৰ তুলনাত পৰিৱেশ অনুকূল হোৱাৰ লগতে পৰিচালনা ব্যয় কম হ'ব বুলিও তেওঁ প্ৰকাশ কৰে।

ooooooooo

অহা বছৰ গণৰাজ্য দিৱসৰ দিনা ঘোষণা কৰিবলগীয়া পদ্ম সন্মানৰ বাবে মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰলৈকে খোলা থাকিব। যোৱা পহিলা মে'ত মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সন্মানৰ বাবে অকল ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেল awards.gov.in যোগে দাখিল কৰা মনোনয়নহে গ্ৰহণ কৰা হ'ব। মনোনয়নৰ সৈতে মনোনীত ব্যক্তিগৰাকীৰ ক্ষেত্ৰ, অসাধাৰণ সাফল্য, প্ৰাসংগিক আদি সকলো তথ্য দাখিল কৰিব লাগিব।

ooooo

উচ্চতম ন্যায়ালয়ে আজি অবৈধ সুৰা নীতিৰ দুৰ্নীতি সন্দৰ্ভত চি বি আয়ে ৰুজু কৰা এটা গোচৰত অভিযুক্ত দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ জামিন মঞ্জুৰ কৰিছে। আদালতে ১০ লাখ টকাৰ চৰ্তসাপেক্ষ বন্দৰ বিনিময়ত শ্ৰী কেজৰিৱালৰ জামিন মঞ্জুৰ কৰে। এই ঘটনা সন্দৰ্ভত শ্ৰী কেজৰিৱালে যাতে কোনোধৰণৰ ৰাজহুৱা মতামত প্ৰকাশ নকৰে, তাৰবাবে উচ্চতম ন্যায়ালয়ে শ্ৰী কেজৰিৱালক চৰ্ত বান্ধি দিছে। ইয়াৰ লগতে পৰৱৰ্তী শুনানিসমূহত তেওঁ উপস্থিত থাকিবলৈও ন্যায়ালয়ে নিৰ্দেশ দিছে।

ন্যায়াধীশ সূৰ্য কান্ত আৰু ন্যায়াধীশ উজ্জ্বল ভূঞাক লৈ গঠিত দুজনীয়া বিচাৰপীঠে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে এই দুৰ্নীতি সন্দৰ্ভত চি বি আয়ে ৰুজু কৰা গোচৰৰ প্ৰত্যাহ্বান জনাই তেওঁৰ জামিনৰ বাবে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰে।

ইয়াৰ পূৰ্বে পৰহি দিল্লী ন্যায়ালয়ে সুৰা নীতি, দুৰ্নীতি সন্দৰ্ভত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ ন্যায়িক জিম্মাৰ ম্যাদ অহা ২৫ ছেপ্তেম্বৰলৈ বৃদ্ধি কৰিছে।

উল্লেখযোগ্য যে বিধি বলৱৎকাৰী সঞ্চালকালয়ে যোৱা ২১ মাৰ্চত ক'লা ধন বৈধকৰণ গোচৰ সন্দৰ্ভত আপৰ নেতাগৰাকীক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছত ২৬ জুনত অভিযুক্ত দুৰ্নীতি সন্দৰ্ভত চি বি আয়ে কেজৰিৱালক গ্ৰেপ্তাৰ কৰিছিল। ১২ জুলাইত উচ্চতম ন্যায়ালয়ে কেজৰিৱালৰ অন্তৰ্ৱৰ্তী জামিন মঞ্জুৰ কৰে আৰু তেওঁ বৰ্তমান চি বি আইৰ ন্যায়িক জিম্মাত আছে।

ooooooooo

ৰাজ্যৰ বিৰোধী ঐক্যমঞ্চই অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ তত্বাৱধানত চি বি আইৰ তদন্ত দাবী কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত বিৰোধী ঐক্যমঞ্চৰ নেতা লুৰিণজ্যোতি গগৈ, অজিত ভূঞা আৰু ৰকিবুল হুছেইনে এই দাবী উত্থাপন কৰে। নেতাকেইগৰাকীয়ে এই কেলেংকাৰীৰ অভিযোগত জড়িত থকা লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱাৰ লগতে সাধাৰণ ৰাইজে যাতে ধন ওভোতাই পায়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিবলৈও দাবী জনাইছে। এই গোচৰত অভিযুক্তসকলক চৰকাৰে আতিথ্য প্ৰদান কৰা বুলিও তেওঁলোকে অভিযোগ উত্থাপন কৰে। ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে তদন্ত অব্যাহত ৰাখিছে।

ইপিনে, অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাক ডিব্ৰুগড় আৰক্ষীয়ে জিম্মাত লোৱাৰ পাছত তেওঁলোকক সোধা-পোছা কৰি আছে। ইয়াৰ লগতে কালি গুৱাহাটী আৰক্ষীয়ে বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আন দুগৰাকী অবৈধ ধন লেনদেন কাৰ্যৰ অভিযুক্ত মাইনাও ব্ৰহ্ম আৰু দীপাংকৰ ভটক গ্ৰেপ্তাৰ কৰি মুছলপুৰ আৰক্ষীয়ে সম্প্ৰতি নিজৰ জিম্মাত ৰাখি জেৰা অব্যাহত ৰাখিছে।

00000000

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে আজি গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী সোণাপুৰৰ কচুতলীত উপস্থিত হৈ অঞ্চলটোত অবৈধভাৱে দখল কৰা ভূমি উচ্ছেদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তেজনাময় পৰিস্থিতিৰ বুজ লয়। জিলা উপায়ুক্তৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰি শ্ৰী সিঙে জনজাতীয় অধ্যুষিত ভূমি অবৈধভাৱে দখল কৰা লোকসকলক উচ্ছেদ কৰা হৈছে বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে সোণাপুৰৰ কচুতলীত কালি ভূমি উচ্ছেদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘৰ্ষত দুগৰাকী ব্যক্তি নিহত হোৱাৰ লগতে আৰক্ষীকে ধৰি ২২ গৰাকী চৰকাৰী বিষয়া আহত হয়। এই সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে কেইবাজনো লোকক আটক কৰিছে। প্ৰশাসনে সেই অঞ্চলটোৰ পৰা আঁতৰি যাবলৈ পূৰ্বে জাননী জাৰি কৰিছিল যদিও লোকসকলে সেই ভূমি এৰি নোযোৱাত আৰক্ষী প্ৰশাসনে উচ্ছেদ অভিযান চলাইছিল। কিন্তু একাংশ লোকে উচ্ছেদত বাধা দিয়াৰ ফলতেই এই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

00000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ পেৰালিম্পিকত অংশগ্ৰহণ কৰা ভাৰতীয় দলৰ খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰে। কথোপকথনত শ্ৰী মোদীয়ে এই ক্ৰীড়া মহোৎসৱত পদক জয় কৰা আৰু অংশগ্ৰহণ কৰা খেলুৱৈসকলক অভিনন্দন জনায়। তেওঁ কয় যে পেৰালিম্পিয়ানসকলৰ জীৱনৰ দৃষ্টিভংগী সকলোৰে বাবে বৃহৎ শক্তি। এই আদান-প্ৰদানৰ সময়ত স্বৰ্ণ পদক বিজয়ী সুমিত আণ্টিলে প্ৰধানমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে তেওঁৰ এটা স্বৰ্ণপদক উচৰ্গা কৰে। উল্লেখযোগ্য যে ভাৰতে এইবাৰৰ পেৰালিম্পিকত ৭টা সোণ, ৯টা ৰূপ আৰু ১৩ টা ব্ৰঞ্জসহ মুঠ ২৯ টা পদক লাভ কৰি সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছে। ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া আৰু ভাৰতীয় পেৰালিম্পিক কমিটীৰ অধ্যক্ষ দেৱেন্দ্ৰ ঝাঝৰিয়াও এই কথোপকথনত উপস্থিত থাকে।

000000000

**সমাপ্ত**